অধ্যায় ৩ঃ অৰুণোদয় যুগৰ সাহিত্য— ১

অধ্যায় গাঁথনি

৩.১ উদ্দেশ্য

৩.২ পৰিচয়

৩.৩ অৰুণোদয় যুগৰ লেখকসকল

৩.৩.১ অৰুণোদয় যুগৰ খ্ৰীষ্টীয়ান লেখক

৩.৩.২ অৰুণোদয় যুগৰ অখ্ৰীষ্টীয়ান লেখক

৩.৪ অসমীয়া ভাষা সাহিত্যলৈ *অৰুনোদই* তথা মিছনেৰীসকলৰ অৱদান

৩.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৩.৬ অধিক জানিবলৈ

৩.৭ অগ্ৰগতিৰ খতিয়ান

৩.৮ আৰ্হি প্ৰশ্ন

৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- অৰুণোদয় যুগৰ লেখকসকল তথা তেওঁলোকৰ সাহিত্যৰাজিৰ বিষয়বস্তু আৰু বিশেষত্বপূৰ্ণ দিশসমূহৰ বিষয়ে প্ৰয়োজনীয় ব্যাখ্যা আগবঢ়াব পাৰিব
- অৰুণোদয় যুগটোৱে অসমীয়া সাহিত্যলৈ কি কি দিশত নতুনত্ব কঢ়িয়াই আনিলে সেয়া নিৰ্ণয় কৰিব পাৰিব
- অৰুণোদয় যুগটোৱে অসমীয়া ভাষা-সাহিত্য তথা সমাজ জীৱনলৈ কেনেদৰে অৱদান আগবঢ়াই থৈ গ'ল সেই বিষয়েও স্পষ্ট ধাৰণা লাভ কৰিব
- এই যুগৰ সাহিত্যই পৰৱৰ্তী আধুনিক অসমীয়া সাহিত্যৰ আন এটা যুগ 'জোনাকী' সৃষ্টিৰ বাবে কেনেদৰে বাট কাটি দিলে সেই বিষয়েও জ্ঞাত হ'ব।

৩.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায় দুটাত আপুনি অসমীয়া আধুনিক সাহিত্যৰ প্ৰাক্-স্বাধীনতাকালৰ অসমীয়া সাহিত্যৰ ঐতিহাসিক পটভূমি তথা অৰুণোদয় যুগৰ সাহিত্যৰ শ্ৰেণীবিভাজন সম্পৰ্কে অৱগত হ'ল। লগতে প্ৰাক্-অৰুণোদয় স্তৰৰ প্ৰধান সাহিত্যিকসকলৰ সাহিত্যকৰ্মৰ লগত পৰিচিত হ'ল। এইটো অধ্যায়ত আমি অৰুণোদয় যুগৰ সাহিত্যৰ কথাই আলোচনা কৰিম। মূলতঃ অৰুণোদয় যুগৰ লেখকসকল (অৰুণোদয় যুগৰ খ্ৰীষ্টীয়ান লেখক আৰু অৰুণোদয় যুগৰ অখ্ৰীষ্টীয়ান লেখক)ৰ

বিষয়ে আৰু অসমীয়া ভাষা সাহিত্যলৈ *অৰুনোদই* তথা মিছনেৰীসকলৰ অৱদান সম্পৰ্কে বহলাই আলোচনা দাঙি ধৰা হ'ব। অধ্যায়টোৰ অধ্যয়নে আপোনাক এই যুগটোৰ সাহিত্যিক আৰু তেওঁলোকৰ সাহিত্যকৰ্মৰ বিষয়ে পৰিচিতি প্ৰদান কৰিব।

৩.৩ অৰুণোদয় যুগৰ লেখকসকল

ইয়াৰ আগৰটো অধ্যায়ত প্ৰাক্-স্বাধীনতাকালৰ সামাজিক পটভূমি সম্পৰ্কে কৰা আলোচনাৰ প্ৰসংগত আমি উল্লেখ কৰি আহিছোঁ যে কেইগৰাকীমান আমেৰিকান মিছনেৰী ব্যক্তিৰ লগতে কেইবাগৰাকী অসমীয়াৰ প্ৰচেষ্টাত অৰুণোদয় যুগটোৱে প্ৰাণ পাই উঠিছিল। তাৰ আধাৰতে ক'ব পাৰি যে এই যুগটোত দুই শ্ৰেণীৰ লেখকৰ আৱিৰ্ভাৱ হৈছিল। এক শ্ৰেণী হ'ল— অৰুণোদয় যুগৰ খ্ৰীষ্টীয়ান লেখক আৰু আন শ্ৰেণী হ'ল— অৰুণোদয় যুগৰ অখ্ৰীষ্টীয়ান বা অসমীয়া লেখক। খ্ৰীষ্টীয়ান লেখকসকলৰ আদৰ্শ আছিল অসমত খ্ৰীষ্ট ধৰ্ম প্ৰচাৰ কৰা আৰু তাৰ উদ্দেশ্যে তেওঁলোকে ধৰ্মমূলক গ্ৰন্থ ৰচনা কৰিছিল। অৱশ্যে তাৰ লগতে অভিধান, ব্যাক�ৰণ, পঢ়াশলীয়া পুথি আদিও ৰচনা কৰে। নাথান ব্ৰাউন, মাইলচ্ ব্ৰন্সন, নিধিৰাম ফাৰৱেল, এলিজা ব্ৰাউন, মিঃ গার্নি আদি এই শ্ৰেণীৰ লেখক। ইয়াৰ ভিতৰত নিধিৰাম ফাৰৱেল অনা-অসমীয়া লোক নাছিল। আনহাতে, সেইসময়তে অসমীয়া ভাষা-সাহিত্যৰ উন্নতিৰ হকে যিকেইগৰাকী লেখকে কলম ধৰিছিল, তেওঁলোকেই হ'ল অখ্ৰীষ্টীয়ান বা অসমীয়া লেখক। আনন্দৰাম ঢেকিয়াল ফুকন, গুণাভিৰাম বৰুৱা, হেমচন্দ্ৰ বৰুৱা আছিল এই শ্ৰেণীৰ অন্তৰ্ভুক্ত। তলত তেওঁলোকৰ ৰচনাসমূহৰ বিষয়ে পৰিচয় জ্ঞাপন কৰিবলৈ প্ৰয়াস কৰা হ'ল।

৩.৩.১ অৰুণোদয় যুগৰ খ্ৰীষ্টীয়ান লেখকসকল

অৰুণোদয় যুগত অসমত ধৰ্ম প্ৰচাৰ কৰিবলৈ অহা খ্ৰীষ্টীয়ান মিছনেৰীসকলৰ কেইবাজনো ব্যক্তিয়ে অসমীয়া ভাষা-সাহিত্যৰ উন্নতিৰ হকে কাম কৰিছিল। তেওঁলোকৰ বিষয়ে তলত বহলাই আলোচনা কৰা হ'ল।

- *নাথান ব্ৰাউন ঃ* ১৮৩৬ চনত আমেৰিকা যুক্তৰাষ্ট্ৰৰপৰা মিছনেৰীৰ কামত নাথান ব্ৰাউন সপৰিয়ালে অসমলৈ আহে। প্ৰথমে তেওঁ শদিয়াত থাকি খাম্‌তি আৰু অসমীয়া ভাষা শিকি সেই ভাষাত পাঠ্যপুথি ৰচনা কৰি নতুনকৈ পতা পঢ়াশালি চলায় আৰু লগে লগে বাইবেলৰ ভাঙনিও কৰে। চিংফৌ আৰু খাম্‌তিসকলৰ অত্যাচাৰত থাকিব নোৱাৰি ব্ৰাউনে ১৮৩৯ চনত জয়পুৰলৈ গুচি যায়। এই সময়ছোৱাতে ব্ৰাউনৰ গাভৰু জীয়ৰী ডৰথি ছফিয়াৰ মৃত্যু হয় আৰু পত্নী এলিজা ব্ৰাউনো সঘনে অসুখত ভুগিবলৈ ধৰে। সেয়ে ১৮৪৩ চনত তেওঁ জয়পুৰৰপৰা শিৱসাগৰলৈ উঠি আহে আৰু ইয়াতে থাকি খ্ৰীষ্টধৰ্ম প্ৰচাৰৰ লগতে অসমীয়া ভাষা আৰু সাহিত্যচৰ্চাত মনোনিবেশ কৰে।

নাথান ব্রাউনে বাইবেলৰ *নিউ টেষ্টামেনৰ অসমীয়া ভাঙনি* (১৮৪৯) আৰু বাইবেলৰ *মেথিউ, লিউক, মার্ক, য়হান*— এই চাৰিটা খণ্ড অসমীয়ালৈ অনুবাদ কৰি *খ্ৰীষ্টৰ বিৱৰণ আৰু শুভ যাত্রা* নাম দি বেলেগ পুথিৰ আকাৰে প্রকাশ কৰে। ১৮৪৮ চনত এওঁৰ *অসমীয়া ভাষাৰ ব্যাকৰণ* প্রকাশ হয়। *যোচেফৰ কাহিনী* আৰু *যিশু খ্ৰীষ্টৰ জীৱনী*ও ব্রাউনে ৰচনা কৰে। আনহাতে, জন বনিয়ানৰ *Pilgrim's Progress* ব্রাউনে *যাত্রিকৰ যাত্রা* নাম দি অনুবাদ কৰে। ব্রাউনে ও. টি. কাট্টাৰৰ লগ লাগি ১৮৪৬ চনত *অৰুনোদই* কাকতখন উলিয়াইছিল। এওঁ পুৰণি পুথি সংগ্রহ কৰিছিল আৰু কাশীনাথ তামুলী ফুকনৰ *অসম বুৰঞ্জী, চুতীয়া বুৰঞ্জী* আৰু বকুল কায়স্থৰ *গণিত পুথি* ছপা কৰি উলিয়াইছিল। ব্রাউনে ৰচনা কৰা অসমীয়া ভাষাৰ ব্যাকৰণখনৰ প্রকৃত নাম হ'ল *Grammatical Notices of the Assames Language*। এইখন ইংৰাজী ভাষাত ৰচিত। দৰাচলতে নাথান ব্রাউন আছিল এগৰাকী ভাষাবিদ।

- *এলিজা ব্রাউন ঃ* নাথান ব্রাউনৰ সুযোগ্যা পত্নী এলিজা ব্রাউনেও অসমীয়া ভাষা সাহিত্যলৈ অৱদান আগবঢ়াই থৈ গৈছে। এলিজা ব্রাউনে কেইবাখনো পঢ়াশলীয়া পুথি ৰচনা কৰিছিল। তেওঁ নিজাকৈ ল'ৰা-ছোৱালীৰ উপযোগী *সাধুকথাৰ পুথি, গণনাৰ পুথি* আৰু *ভূগোলৰ বিৱৰণ* ৰচনা কৰিছিল। এই পুথিকেইখন পঢ়াশলীয়া পুথি আছিল।
- *মাইলচ্ ব্রন্সন ঃ* ১৮৩৬ চনত মাত্র ২৪ বছৰ বয়সতে মাইলচ্ ব্রন্সনে খ্রীষ্ট ধর্ম প্রচাৰৰ উদ্দেশ্যে অসম অভিমুখে ৰাওনা হয় আৰু ১৮৩৭ চনত অসমত ভৰি দিয়ে। তেওঁ কিছুদিন নামচাঙৰ নগাৰ মাজত ধর্ম প্রচাৰ কৰে যদিও সুবিধাজনক নেদেখি ১৮৪০ চনত জয়পুৰলৈ উভতি আহে। জয়পুৰতো প্রচাৰৰ উপযুক্ত পৰিবেশ নাপাই ১৮৪১ চনত নগাঁৰলৈ গুচি যায়। তাতে ধর্মপ্রচাৰৰ লগতে এখন বিদ্যালয় আৰু এখন অনাথ আশ্রম প্রতিষ্ঠা কৰে। ১৮৪৮ চনত তেওঁ স্বাস্থ্যজনিত কাৰণত আমেৰিকালৈ উভতি গৈ তিনি বছৰৰ পিছত ১৮৫১ চনত পুনৰ অসমলৈ আহে। ১৮৬৮ চনত চিকিৎসাৰ বাবে তেওঁ দ্বিতীয়বাৰৰ বাবে অমেৰিকালৈ যায় আৰু ১৮৭১ চনত ঘূৰি আহে। আমেৰিকাত থকা কালতে তেওঁৰ প্রথমা পত্নীৰ মৃত্যু ঘটে। অসমলৈ উভতি অহাৰ পাছত তেওঁ ডেনফোর্থৰ বিধৰা পত্নীক বিয়া কৰায়। কিন্তু দুবছৰমান পাছতে দ্বিতীয়া পত্নী আৰু জীয়েক মেৰিয়াৰো মৃত্যু হয়। এনেদৰে ব্রন্সনে চিৰদিনৰ বাবে আত্মীয়ক হেৰুৱায় যদিও বিয়োগজনিত দুখৰ মাজতো ধর্ম প্রচাৰ আৰু সাহিত্য ৰচনাৰ কাম কৰি যায়।

ব্রন্সনে *বাইবেলৰ* ভালেমান কথা অসমীয়ালৈ অনুবাদ কৰাৰ উপৰি একুৰি স্তুতিগীত অসমীয়ালৈ অনুবাদ কৰে। কিন্তু অসমীয়া ভাষা-সাহিত্যলৈ তেওঁৰ যুগান্তৰকাৰী অৱদান হ'ল *অসমীয়া অভিধান*। ১৮৬৭ চনত ছপা হৈ ওলোৱা

এইখনেই প্ৰথম অসমীয়া অভিধান। অভিধানখনিত নিভাঁজ ১৪,০০০ অসমীয়া শব্দই স্থান পাইছে। ইয়াত সংস্কৃত বা তৎসম শব্দৰ সংখ্যা কম। এই অভিধানখনত যি আখৰ জোঁটনি বা বানান প্ৰণালী প্ৰয়োগ কৰা হৈছে সেইটো উচ্চাৰণ-ৰীতিৰ ফালে দৃষ্টি ৰাখি কৰা হৈছে। এই বিষয়ত ব্ৰন্সন চাহাবে যাদুৰাম ডেকাবৰুৱাৰ বৰ্ণ-বিন্যাসৰ ৰীতিকে মানি লৈছিল। অসমীয়া ভাষাৰ উচ্চাৰণ অনুসৰি তেওঁ মূৰ্দ্ধন্য বৰ্ণসমূহ, দীৰ্ঘস্বৰ, অন্তঃস্থ য — আদি ব্যৱহাৰ কৰা নাছিল। ব্ৰন্সনে অভিধানখনিৰ পাতনিত লিখিছে— "সকলো পুথিৰ মাজত অভিধান অতি প্ৰয়োজনীয়। অনেক ইংৰাজ লোকে অচমিয়া ভাসা সিকিবলৈ ইচা কৰে, আৰু অনেক অচমিয়া লোকেওঁ ইংৰাজি ভাসা সিকিবলৈ শ্ৰম কৰি আচে। সকলোৰে উপকাৰৰ নিমিতে অচমিয়া ভাসাৰে এই প্ৰথম অভিধান সমাপ্ত কৰিলোঁ। ইয়াত ১৪,০০০ (চৈধ্য হেজাৰ) মান সব্দ আচে, তাৰ অৰ্থ অচমিয়া আৰু ইংৰাজি, এই দুই ভাসাৰে দিয়া হ'ল।" ব্ৰন্সনৰ এই অভিধানখনেই প্ৰথম অসমীয়া অভিধান আৰু ইয়াৰ বাবে তেওঁ চাৰি বছৰ শ্ৰম কৰিবলগীয়া হৈছিল। হেমচন্দ্ৰ বৰুৱাৰ *হেমকোষ* প্ৰকাশৰ আগলৈকে (১৯০০) এই অভিধানখনে নথৈ উপকাৰ কৰিছিল। অৱশ্যে *হেমকোষ* ছপা হৈ ওলোৱাৰ পিছত এইখন অপ্ৰচলিত হৈ পৰে। মাইলচ্ ব্ৰন্সনে অসমীয়া ভাষা-সাহিত্যলৈ অৱদান আগবঢ়োৱাৰ উপৰি অসমত অসমীয়া ভাষাৰ সলনি বাংলা ভাষা প্ৰচলন কৰাৰ কাৰণে অকাট্য যুক্তিসহ তীব্ৰ প্ৰতিবাদ কৰিছিল।



জানি থোৱা ভাল

অসমীয়া ভাষাৰ প্ৰথম ব্যাকৰণ আৰু অভিধান ৰচনা কৰে দুগৰাকী মিছনেৰীয়ে। এগৰাকী হ'ল নাথান ব্ৰাউন আৰু আনগৰাকী হ'ল মাইলচ্ ব্ৰন্সন। এই পুথিকেইখন প্ৰকাশৰ কেইবা বছৰৰো পাছতহে হেমচন্দ্ৰ বৰুৱাই *অসমীয়া ভাষাৰ ব্যাকৰণ* আৰু অভিধান (*হেমকোষ*) ৰচনা কৰে।

- *এ.কে. গার্নি ঃ* নাথান ব্ৰাউন আৰু মাইলচ্ ব্ৰন্সনৰ পাছতে অৰুণোদয় যুগৰ অন্যতম মিছনেৰী লেখক হ'ল এ.কে. গার্নি। ১৮৭৪ চনত তেওঁ আমেৰিকাৰ পৰা আহি শিৱসাগৰত খ্ৰীষ্টীয়ান ধৰ্মযাজকৰ পদ গ্ৰহণ কৰে। তেতিয়াৰ পৰা ১৯০৭ চনলৈকে উক্ত পদত থাকি অসমত খ্ৰীষ্ট ধৰ্ম প্ৰচাৰ আৰু সেই উদ্দেশ্যে পুথি প্ৰণয়ন কাৰ্যত ব্ৰতী আছিল। তেওঁ কেইবাবছৰো *অৰুনোদই* সম্পাদনা কৰিছিল। গার্নিয়ে *প্ৰাচীন নিয়ম* নাম দি ১৮৮০ চনত হিব্ৰু ভাষাৰপৰা *অ'ল্ড টেষ্টামেণ্ট* অসমীয়ালৈ অনুবাদ কৰে। তদুপৰি *ৰুথ আৰু যোচেফৰ কাহিনী* (১৮৮১), *কানি বেহেৰুৱাৰ কথা*(১৮৭৮), *এলোকেশী বেশ্যাৰ কথা* (১৮৭৭) আৰু *কামিনীকান্তৰ চৰিত্ৰ* (১৮৭৭) আদি গ্ৰন্থ ৰচনা কৰে। ১৯০৫ চনত গার্নিয়ে *দীপ্তি* নামেৰে এখন

মাহেকীয়া আলোচনীৰ ৬ টা সংখ্যা প্ৰকাশ কৰিছিল। গার্নিয়ে ৰচনা কৰা পুথিসমূহৰ ভিতৰত *এলোকেশী বেশ্যাৰ কথা* আৰু *কামিনীকান্তৰ চৰিত্ৰ* উপন্যাসধৰ্মী ৰচনা। খ্ৰীষ্ট ধৰ্ম সম্পৰ্কীয় প্ৰচাৰধৰ্মী মনোভাবৰ বাবে এই দুখন পুথি প্ৰকৃত উপন্যাসৰ শাৰীলৈ উঠিব নোৱাৰিলে যদিও ৰচনা দুখনক অসমীয়া উপন্যাসৰ প্ৰাথমিক নিদৰ্শন ৰূপে গণ্য কৰিব পাৰি।

এ.কে. গার্নিৰ লগতে মিছেছ গার্নিৰ *ফুলমণি আৰু কৰুণাৰ কাহিনী*ও এখন লেখত ল'বলগীয়া পুথি। এইখন মিছেছ মুলেনৰ *ফুলমণি ও কৰুণা* নামৰ বাংলা উপন্যাসৰ অসমীয়া অনুবাদ।

- *নিধিৰাম ফাৰৰেল ঃ* এওঁৰ প্ৰকৃত নাম নিধিৰাম কেওট। তেজপুৰৰ কলংপুৰ মৌজাৰ সূতাৰ গাঁৱত এওঁৰ জন্ম হৈছিল। শিৱসাগৰলৈ পঢ়িবলৈ গৈ সেই ঠাইত থকা মিছনেৰীসকলৰ সৈতে চিনাকি হৈছিল। মিছনেৰীসকলৰ সহায়তে নিধিৰামে শিক্ষা লাভ কৰে আৰু তেওঁলোকৰ লগতে শদিয়া আৰু জয়পুৰত থাকে। ১৮৪১ চনত মাইলচ্ ব্ৰন্সনে জয়পুৰত থাকোঁতে এওঁক খ্ৰীষ্ট ধৰ্মত শৰণ দিয়ে। তেতিয়াৰ পৰা তেওঁৰ নতুন নাম হ'ল নিধি লিবাই ফাৰৰেল। এৰেঁই খ্ৰীষ্ট ধৰ্ম গ্ৰহণ কৰা প্ৰথম অসমীয়া। পাছত তেওঁ খ্ৰীষ্ট ধৰ্মৰ প্ৰচাৰক হৈ পৰে। মিছনেৰীসকলৰ অসমীয়া ভাষা উদ্ধাৰ আৰু উন্নতিৰ প্ৰচেষ্টাত নিধিৰামেও পাৰ্যমানে সহায় কৰিছিল। তেওঁ *অৰুনোদই* কাকতৰ নিয়মীয়া লেখক আছিল। *অৰুনোদই*ত 'বিনয় বচন', 'সৰগৰ বিৱৰণ', তীৰ্থৰ বিৱৰণ', 'নৰকৰ বিৱৰণ', হিন্দুস্তানৰ বুৰঞ্জী' আদি ভালেখিনি প্ৰবন্ধ আৰু কবিতা প্ৰকাশ পাইছিল। ১৮৬৫ চনত শিৱসাগৰ মিছনেৰী প্ৰেছৰপৰা এওঁৰ *ভাৰতীয় দণ্ডবিধি আইনৰ* অসমীয়া অনুবাদ প্ৰকাশ পায়। *অৰুনোদই*ত এওঁ ন.ল.ফ. নামৰে বিভিন্ন প্ৰবন্ধ, পদ্য, বুৰঞ্জী আদি প্ৰকাশ কৰাৰ উপৰি খ্ৰীষ্ট ধৰ্ম সম্পৰ্কীয় পুস্তিকা প্ৰকাশ কৰিছিল। ১৮৫৫ চনত এওঁ *পদাৰ্থ-বিদ্যাৰ সাৰ* নামৰ পুথি এখন ৰচনা কৰি প্ৰকাশ কৰে। এই পুথিখনিত মুঠ ১২৫ টা পৃষ্ঠা আছে। নিধিৰাম ফাৰৰেল— নাথান ব্ৰাউন আৰু মাইলচ্ ব্ৰন্সনৰ সোঁহাতস্বৰূপ আছিল। ব্ৰন্সনক অভিধান প্ৰণয়ন কৰা কামতো এওঁ সহায় কৰিছিল।
- *আন আন খ্ৰীষ্টীয়ান লেখক ঃ* নাথান ব্ৰাউন, মাইলচ্ ব্ৰন্সন, এ.কে. গার্নি, নিধিৰাম ফাৰৰেল আদি মুখ্য খ্ৰীষ্টীয়ান লেখকসকলৰ উপৰি অৰুণোদয় যুগত আৰু ভালে কেইগৰাকী খ্ৰীষ্টীয়ান লেখকৰ ভিন ভিন পুথি পোৱা যায়। শ্ৰীমতী এছ. আৰ. ৰার্ডৰ *ইংৰাজী অসমীয়া শব্দকোষ* (১৮৬৪), শ্ৰীমতী কট্টাৰৰ *ইংৰাজী অসমীয়া খণ্ডবাক্য-কোষ* (১৮৪৮) দুখন উল্লেখনীয় গ্ৰন্থ। আনহাতে ও.টি. কট্টাৰ, ডেনফোৰ্থ, ক্লার্ক, ৰার্ড আদিয়ে *অৰুনোদই* সম্পাদনা কৰি অসমীয়া সাহিত্যলৈ বৰঙণি যোগাই গৈছে। ইয়াৰ বাহিৰেও *হেনৰি আৰু তেওঁৰ লগুৱা, অপৰিমিতাচাৰৰ পৰিণাম, জোচেফৰ কাহিনী, আমেৰিকা আৱিষ্কাৰ, পণ্ডিত আৰু ধৰ্মপ্ৰচাৰ, ২২টা স্তুতিগীত,*

বাইবেলৰ সাধু, ৰামগতিৰ কাহিনী, ধার্মিক চহা, মাউৰী ছোৱালী, আফ্রিকাৰ কোঁৱৰ, কৃষ্ণ আৰু খ্রীষ্টৰ তুলনা, আপত্তিনাশক, স্বৰূপ আশ্রয়, সুবর্ণৰ তুল, নিস্তাৰৰ উপায়, সৃষ্টি আৰু প্রলয়, গুৰু আহিল আৰু তোমাক মাতিছে, পাপ খেমা পোৱা ছোৱালী, পৰিত্র অৱতাৰ, ধৰম পুথিৰ বিৱৰণ আদি বিভিন্ন বিষয়ৰ পুথি পোৱা যায়। এই পুথিসমূহ খ্রীষ্টীয়ান মিছনেৰীসকলৰে সৃষ্টি।

এনেদৰে আলোচনা কৰিলে দেখা যায় যে অৰুণোদয় যুগত ভালেমান খ্রীষ্টীয়ান লেখকৰ আৰির্ভাৰ হৈছিল। ধর্ম প্রচাৰৰ উদ্দেশ্যে তেওঁলোকে বিভিন্ন বিষয়ৰ পুথি ৰচনা কৰিছিল যদিও সেইবোৰে এই যুগটোৰ সাহিত্যৰ ভঁৰাল চহকী কৰি তুলিলে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ খালি ঠাই পূৰণ কৰক—

(ক) এলিজা ব্রাউনে ৰচনা কৰা পুথিকেইখন হ'ল— *সাধুকথাৰ পুথি,* ..... আৰু *ভূগোলৰ বিৱৰণ*।

(খ) ব্রহ্মনৰ অভিধানখনত .....শব্দ অন্তর্ভুক্ত হৈ আছে।

(গ) *ফুলমণি আৰু কৰুণাৰ কাহিনী* নামৰ পুথিখন লিখিছিল.....।

প্রশ্ন নং ২ ঃ নাথান ব্রাউনে অসমীয়া ভাষালৈ অনুবাদ কৰা পুথিখনিৰ নাম কি? এইখন কোনে ৰচনা কৰিছিল?

.....

৩.৩.২ অৰুণোদয় যুগৰ অখ্রীষ্টীয়ান লেখক

অৰুণোদয় যুগত খ্রীষ্টীয়ান মিছনেৰীসকলৰ সাহিত্যিক প্রচেষ্টাত সেই সময়ৰ কেইবাজনো অসমীয়া ডেকাই আন্তৰিকতাৰে যোগ দিছিল। ফলত এই যুগত এদল অসমীয়া লেখকৰ সৃষ্টি হৈছিল। এওঁলোকৰ ৰচনাৰ আদর্শ মিছনেৰীসকলৰ দৰে ধর্ম প্রচাৰ নাছিল। এই যুগৰ অসমীয়া লেখকসকলৰ ভিতৰত আনন্দৰাম ঢেকিয়াল ফুকন, গুণাভিৰাম বৰুৱা আৰু হেমচন্দ্র বৰুৱা আছিল অগ্রগণ্য। তলত তেওঁলোকৰ সাহিত্যিক অৱদানৰ বিষয়ে আলোচনা কৰা হ'ল।

- *আনন্দৰাম ঢেকিয়াল ফুকন ঃ* ১৮২৯ চনত আনন্দৰাম ঢেকিয়াল ফুকনৰ জন্ম হয়। ১৮৪১ চনত কমিচনাৰ জেনকিন্স আৰু মেথি চাহাবৰ অনুপ্রেৰণাত গুৱাহাটী ইংৰাজী স্কুলৰ পৰা গৈ আনন্দৰামে কলিকতাৰ হিন্দু কলেজত পঢ়িবলৈ লয়। কলিকতাত তিনিবছৰ অধ্যয়ন কৰি আহি গুৱাহাটীত ব্লেণ্ড চাহাবৰ ওচৰত আকৌ ইংৰাজী পঢ়ে। তেওঁ কিছু ফার্চী আৰু সংস্কৃত ভাষাও আয়ত্ত কৰিছিল। আনন্দৰামে ওঠৰ বছৰ বয়সৰ পৰাই সাহিত্য সেৱা কৰিবলৈ লয় আৰু মৃত্যু-পর্যন্ত সাহিত্য সেৱা আৰু

দেশৰ হিত সাধনেই জীৱনৰ ব্রতস্বৰূপ হৈ পৰে। ১৮৪৭ চনত *অৰুনোদই*ত প্রকাশ হয় 'ইংলণ্ডৰ বিৱৰণ'। প্রায় চাৰিশ পৃষ্ঠজোৰা *অসমীয়া ল'ৰাৰ মিত্র* প্রকাশ হয় ১৮৪৯ চনত। *অসমীয়া ল'ৰাৰ মিত্র*ত নীতি-শিক্ষা, ভূগোল, বিজ্ঞান, ইতিহাস আদি বিভিন্ন জ্ঞানমূলক তথ্য আৰু বিৱৰণ আছে। ১৮৫৩ চনত অসমৰ অৱস্থা সম্পর্কে অনুসন্ধান কৰিবলৈ অহা মোফাত মিলচ্ (Moffat Mills) চাহাবৰ আগত ফুকনে অসমৰ অর্থনৈতিক অৱস্থা সম্পর্কে স্মাৰক-পত্র প্রদান কৰে। স্মাৰক-পত্র এজন চৌৱিশ বছৰীয়া ডেকা ল'ৰাৰ দ্বাৰা প্রস্তুত হ'লেও অসমৰ ৰাজনৈতিক আৰু প্রশাসনীয় অৱস্থা আৰু সমস্যাৰ গভীৰ উপলব্ধি আৰু সমালোচনা, অসমৰ ভাষা আৰু শিক্ষা সমস্যাৰ বিশ্লেষণ, অসমীয়া মানুহৰ অর্থনৈতিক দুৰৱস্থাৰ কাৰণ নির্ণয় আৰু তাৰ প্রতিকাৰৰ উপায়, অসমৰ নিজস্ব উৎপন্ন বস্তু আৰু তাৰ উন্নতিৰ বিশ্লেষণ— এই সকলো নিখুঁত ইংৰাজীত প্রকাশ হোৱা আৰু সাহসিকতাৰে উপস্থাপন কৰা দেখিলে আচৰিত নহৈ নোৱাৰি। অসমৰ ৰাজহ, উৎপন্ন বস্তু আৰু মানুহৰ অৱস্থা সম্পর্কে দিয়া এই বিবৃতিয়ে ফুকনৰ বিচক্ষণ বুদ্ধি আৰু জ্ঞানৰ পৰিচয় দিয়ে। ১৮৫৫ চনত তেখেতৰ ইংৰাজীতে লিখা *A Few Ramarks on Assamese Language and on Vernacular Education in Assam* নামৰ পুস্তিকা প্রকাশ পায়। এই পুস্তিকাত অসমীয়া ভাষাৰ স্বতন্ত্রতা, বাংলা ভাষা জাপি দিয়াৰ বিষময় ফল আদি আলোচনা কৰে। ইয়াৰ বাহিৰেও তেওঁ ইংৰাজী-অসমীয়া আৰু অসমীয়া-ইংৰাজী অভিধান দুখন প্রণয়নৰ কাম হাতত লৈছিল।

আনন্দৰাম ঢেকিয়াল ফুকনৰ যুক্তিসঙ্গত বিচাৰ, তীক্ষ্ণ বুদ্ধি আৰু স্বদেশপ্রেমৰ ফালে দৃষ্টি ৰাখিয়েই কর্ণেল হপকিন্স চাহাবে ফুকনৰ বিষয়ে কৈ গৈছে যে বঙ্গদেশত ৰাজা ৰামমোহন ৰায় যেনে, অসমত আনন্দৰাম ঢেকিয়াল ফুকনো তেনে আছিল; কিন্তু অল্পায়ু ফুকনৰ কার্যকলাপলৈ চাই ৰামমোহন ৰায়তকৈ তেওঁক উচ্চস্থান দিব পাৰি। উল্লেখযোগ্য যে ঢেকিয়াল ফুকনৰ ১৮৫৯ চনত ত্রিশ বছৰ পূৰ নৌহওঁতেই অকাল মৃত্যু ঘটে। জীৱনৰ লেখ কামতহে, বছৰত নহয়। আনন্দৰামে ঊনত্রিশ বছৰীয়া চমু জীৱনত যিখিনি কৰি থৈ গ'ল বহুতে দীর্ঘজীৱন পায়ো সেইখিনি কৰিব পৰা নাই। আনন্দৰামৰ অকাল মৃত্যু অসমীয়া জাতিৰ এক পূৰাব নোৱাৰা ক্ষতি। আনন্দৰাম আধুনিক অসমীয়া গদ্যৰ প্রথম প্রৱর্তক আৰু তেৱেঁই অসমীয়া সাহিত্যত নতুন আদর্শ দাঙি ধৰে।

- *হেমচন্দ্র বৰুৱা* ঃ ১৮৫৩ চনত হেমচন্দ্র বৰুৱাৰ শিৱসাগৰৰ ৰজাবাহৰ গাঁৱত জন্ম হয়। বাৰ বছৰ বয়সতে পিতৃ-বিয়োগ হোৱাত খুৰাক লক্ষ্মীৰাম বৰুৱাৰ লগত থাকি সংস্কৃত পঢ়ে। সেইসময়ত শিৱসাগৰ জিলাৰ অধিপতি কেপ্তেইন ব্রোডী চাহাবৰ অনুপ্রেৰণা আৰু সহায়ত খুৰাকে নজনাকৈ ইংৰাজী পঢ়িবলৈ লয়। ৰক্ষণশীল খুৰাকৰ দ্বাৰা বাধাপ্রাপ্ত হৈও ইংৰাজী শিক্ষাৰ চেষ্টা পৰিহাৰ নকৰি অৱশেষত উক্ত ভাষাত

ব্যুৎপত্তি লাভ কৰিবলৈ সমর্থ হয়। ইংৰাজী শিক্ষা লাভ নকৰাহেঁতেন হেমচন্দ্রই অসমীয়া ভাষা সাহিত্যৰ ওজাৰূপে চিনাকি দিব পাৰিলেহেঁতেন নে নাই সেয়াও সন্দেহৰ বিষয়। ব্রোডী চাহাব আৰু মিছনেৰীসকলৰ সংস্পর্শই তেওঁৰ দৃষ্টিভঙ্গীলৈ যে প্রসাৰতা আনিছে সেই বিষয়ে কোনো সন্দেহ নাই। হেমচন্দ্র বৰুৱাই সাহিত্যিক জীৱন আৰম্ভ কৰে *অৰুনোদই*ত। ১৮৫৬ চনৰ *অৰুনোদই*ত 'সোণাৰচাঁদ' নামৰ ছদ্মনামেৰে তেওঁ প্রবন্ধ লিখাৰ প্রমাণ পোৱা যায়। তাৰ বাহিৰেও মিছনেৰীসকলে প্রৱর্তন কৰা বর্ণ-বিন্যাস পদ্ধতিৰ সংশোধন কৰি সংস্কৃতমূলক কৰিবলৈ *অৰুনোদই*ত প্রৱন্ধ লিখিছিল, কাৰণ তেনে কৰিলে অসমীয়া শব্দৰ বানান পদ্ধতি বৈজ্ঞানিক আৰু মূলানুগত হ'ব বুলি তেওঁ বিশ্বাস কৰিছিল। ১৮৫৯ চনত তেওঁৰ *অসমীয়া ব্যাকৰণ*, ১৮৭৩ চনত *আদিপাঠ*, ১৮৮৬ চনত *অসমীয়া ল'ৰাৰ ব্যাকৰণ* আৰু ১৮৯২ চনত *পঢ়াশালীয় অভিধান* আৰু তাৰ দুবছৰ পাছত অর্থাৎ ১৮৯৪ চনত *সংক্ষিপ্ত হেমকোষ* প্রকাশ পায়। তেওঁৰ জীৱিত কালত *হেমকোষ*খন পূর্ণাংগৰূপে প্রকাশ হৈ নোলাল। ১৯০০ চনত হেমচন্দ্র গোস্বামী আৰু গর্ডন চাহাবৰ চেষ্টাত তেওঁৰ কীর্তিস্তম্ভ *হেমকোষ* ছপা হৈ ওলায়। *আদিপাঠ, পাঠমালা, স্বাস্থ্যৰক্ষাৰ নিয়ম* নামৰ ইংৰাজী পুথিৰ ভাঙনি আদি ছাত্রৰ উপযোগী পুথি প্রণয়ন কৰি তেওঁ সেই সময়ৰ চৰকাৰৰ পৰা ১১০০ টকা পুৰস্কাৰ হিচাপে লাভ কৰিবলৈ সক্ষম হৈছিল। *হেমকোষ* দ্বিতীয় অসমীয়া অভিধান আৰু ইয়াত ব্রন্সন চাহাবৰ অভিধানতকৈ প্রায় আঠ হেজাৰ শব্দ বেছিকৈ পোৱা যায়। *হেমকোষ* অভিধানখনে হেমচন্দ্র বৰুৱাৰ পাণ্ডিত্য, ভাষাজ্ঞান, অপৰিসীম পৰিশ্রমৰ আদর্শ দাঙি ধৰে। এইখন গাইগুটীয়া বা অকলশৰীয়া চেষ্টাৰ সফল নিদর্শন।

হেমচন্দ্র বৰুৱা এগৰাকী নাট্যকাৰো আছিল। তেওঁ ডেকা বয়সত *কানীয়াৰ-কীর্তন* (১৮৬১) নামৰ এখন নাটক ৰচনা কৰে। *কানীয়াৰ-কীর্তন*ত কানি বৰবিহৰ গৰাহত পৰিলে কেনেকৈ চৰিত্র আৰু সম্পত্তি দুয়োটাই নষ্ট পায় তাকে অঙ্কন কৰি দেখুৱাইছে। *বাহিৰে ৰং-চং ভিতৰে কোৱাভাতুৰী* নামৰ এখন উপন্যাসধর্মী ৰচনাত অসমীয়া সমাজৰ বাহ্যিক নৈষ্ঠিকতা আৰু আচাৰ-ব্যৱহাৰৰ অন্তৰালত থকা ব্যভিচাৰ, ভণ্ডামি, দুর্নীতিৰ বিকট ৰূপটো প্রকাশ কৰিছে।

আসাম নিউজ কাকতৰ সম্পাদকৰূপেও হেমচন্দ্র বৰুৱাই কৃতিত্বৰ পৰিচয় দি গৈছে। বৰুৱাই ইংৰাজীত লিখা *Assamese Marriags System* এখন উল্লেখযোগ্য পুথি। বৈজ্ঞানিক পদ্ধতিত প্রথম অভিধান প্রণয়নকাৰীৰূপে, অসমীয়া আখৰ-জোঁটনিক সুস্থিৰ ৰূপ দিওঁতা তথা আদর্শ গদ্য লেখকৰূপে হেমচন্দ্র বৰুৱাই অসমীয়া সাহিত্যত এক বিশিষ্ট স্থান অধিকাৰ কৰি আছে।

- *গুণাভিৰাম বৰুৱা* ঃ১৮৩৭ চনত যোৰহাটত গুণাভিৰাম বৰুৱাৰ জন্ম হয়। সৰুতে পিতৃ বিয়োগ হোৱাত আনন্দৰাম ঢেকিয়াল ফুকনৰ তত্ত্বাৱধানত কলিকতাৰ

প্ৰেচিডেন্সি কলেজত দ্বিতীয় বাৰ্ষিকলৈ শিক্ষা লাভ কৰি আইন পঢ়ে। হেমচন্দ্ৰ বৰুৱাৰ দৰে গুণাভিৰামেও *অৰুনোদই* কাকতৰ জৰিয়তে সাহিত্য জগতত প্ৰৱেশ কৰে। তেওঁৰ প্ৰথম সাহিত্যিক প্ৰচেষ্টা *ৰাম-নৱমী নাটক*। এই নাটখনি ১৮৫৭ চনত ৰচনা কৰা হৈছিল। পাঁচটা অংকত বিভক্ত এই নাটখনিতে পোনপ্ৰথমে পাশ্চাত্য কলা-কৌশল প্ৰয়োগ কৰা দেখা যায়। এইখনেই প্ৰথম অসমীয়া আধুনিক তথা সামাজিক নাটক। *আসাম-বন্ধু*ৰ দুটা সংখ্যাত প্ৰকাশ হৈ আধৰুৱাভাৱে শেষ হোৱা *বিবাহ-ৰহস্য* নাটখনিও গুণাভিৰাম বৰুৱাৰ বুলি সন্দেহ কৰা হয়। ১৮৮০ চনত তেওঁৰ *আনন্দৰাম ঢেকিয়াল ফুকনৰ জীৱন চৰিত* প্ৰকাশ হয়। আধুনিক অসমীয়াত এইখনেই প্ৰথম উল্লেখযোগ্য জীৱন চৰিত। ১৮৮৪ চনত গুণাভিৰাম বৰুৱাৰ প্ৰসিদ্ধ *অসম বুৰঞ্জী* ওলায়। প্ৰাচীন কালৰে পৰা ইংৰাজৰ ৰাজত্বলৈকে সকলো ঘটনা সম্বলিত এই বুৰঞ্জীখন নিৰপেক্ষ ঐতিহাসিক বিচাৰ, আধুনিক বৈজ্ঞানিক দৃষ্টিভঙ্গী আৰু সহজ-সৰল গাম্ভীৰ্যপূৰ্ণ গদ্যৰীতিৰ কাৰণে বিশেষভাৱে উল্লেখযোগ্য। আনহাতে নিভাঁজ হাস্যৰস আৰু কৌতুকপূৰ্ণ *কঠিন শব্দৰ ৰহস্য* পুথিয়ে গুণাভিৰামৰ ৰসিকতাৰ পৰিচয় দিয়ে। *জোনাকী*তো বৰুৱাৰ 'সৌমাৰ-ভ্ৰমণ'কে আদি কৰি কেইবাটাও বুৰঞ্জীমূলক প্ৰবন্ধ প্ৰকাশ পাইছিল। ১৮৮৫ চনত গুণাভিৰাম বৰুৱাই *আসাম- বন্ধু* নামেৰে কাকত এখন সম্পাদনা কৰি প্ৰকাশ কৰিছিল।

ঊনবিংশ শতিকাৰ শেষৰ কালছোৱা অসমীয়া ভাষা-সাহিত্যৰ নাওখনিৰ গুৰি ব'ঠা ধৰি চলাই নিয়া পুৰুষ দুজনেই হ'ল— হেমচন্দ্ৰ বৰুৱা আৰু গুণাভিৰাম বৰুৱা। ঐতিহাসিক গৱেষণা, জীৱন চৰিত, ভ্ৰমণ বৃত্তান্ত, নাটক ৰচনা, কাকত সম্পাদনা কৰা— এইসকলো বিষয়তে গুণাভিৰাম বৰুৱা পথ প্ৰদৰ্শক আছিল। তদুপৰি অসমত বাংলা ভাষাৰ সলনি অসমীয়া ভাষাৰ পুনৰ প্ৰতিষ্ঠাৰ ক্ষেত্ৰতো গুণাভিৰাম বৰুৱাই আগভাগ লৈছিল।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ ঃ গুণাভিৰাম বৰুৱা আৰু হেমচন্দ্ৰ বৰুৱাই ৰচনা কৰা নাটককেইখনৰ নাম কি?

.....

প্ৰশ্ন নং ৪ ঃ আনন্দৰাম ঢেকিয়াল ফুকনে লিখা পুথিকেইখন কেতিয়া প্ৰকাশিত হৈছিল? (৬০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

- *ৰমাকান্ত চৌধুৰী* ঃ নলবাৰী জিলাৰ বতাহঘিলা গাঁৱত ৰমাকান্ত চৌধুৰীৰ জন্ম হয় ১৮৪৬ চনত। পিতৃ লক্ষ্মীকান্ত চৌধুৰী। প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈ চৌধুৰীয়ে গুৱাহাটীৰ কাছৰীত কেৰাণী পদত সোমায়। পিছত তেওঁ পদোন্নতি লাভ কৰি চিৰস্তাদাৰ পদ লাভ কৰে। ১৮৮৯ খ্ৰীঃত চিৰস্তাদাৰ পদত কাৰ্যনিৰ্বাহ কৰি থাকোঁতেই অকালতে মৃত্যুবৰণ কৰে। ৰমাকান্ত চৌধুৰীয়ে মাইকেল মধুসূদন দত্তৰ ব্লেঙ্ক ভাৰ্ছৰ আৰ্হিত অমিত্ৰাক্ষৰ ছন্দত ১৮৭৫ খ্ৰীঃত *অভিমন্যু বধ* কাব্যখন ৰচনা কৰে। এই বধকাব্যখনৰ মূল হ'ল মাইকেল মধুসূদন দত্তৰ *মেঘনাথ বধ*। ৰমাকান্ত চৌধুৰী *সীতাহৰণ* আৰু *ৰাৱণবধ* নামৰ দুখন পৌৰাণিক নাটকো ৰচনা কৰে। ১৮৮৯ চনত তেওঁ ইহলীলা সম্ৱৰণ কৰে।
- ভোলানাথ দাস ঃ ভোলানাথ দাসৰ ঘৰ প্ৰাচীন নগাঁৱত, জন্ম ১৮৫৮ চনত। পিতৃ বাপিৰাম আৰু মাতৃ হ'ল পদ্মাৱতী। নগাঁৱত স্কুলীয়া শিক্ষা শেষ কৰি কলিকতাৰ মেট্ৰ'পলিটান কলেজত গৈ পঢ়িবলৈ আৰম্ভ কৰে, কিন্তু শিক্ষা শেষ নহওতেই ঘৰলৈ উভতি আহি শিক্ষকতা আৰম্ভ কৰে। দাসে চিভিল চাৰ্ভিছ পৰীক্ষাত উত্তীৰ্ণ হৈ ১৮৮৮ খ্ৰীঃৰ পৰা ভূমি বিভাগৰ বিষয়া ৰূপে কাম কৰে। ১৯২২ খ্ৰীঃত চাকৰিৰ পৰা অৱসৰ লয়। ১৯২৯ খ্ৰীঃত তেওঁৰ মৃত্যু হয়।

  ভোলানাথ দাসেও মাইকেল মধুসূদন দত্তৰ অমিত্ৰাক্ষৰ ছন্দত *সীতাহৰণ কাব্য* ৰচনা কৰে। কাব্যখন *আসাম বিলাসিনী* (১৮৭১) কাকতত প্ৰকাশ পাইছিল। ১৯০২ খ্ৰীঃত কাব্যখন পুথি আকাৰে প্ৰকাশ হয়। *সীতাহৰণ কাব্য*খন আধুনিক যুগৰ দ্বিতীয়খন বৰ্ণনাত্মক কাব্য। কাব্যখন সাতোটা সৰ্গত ৰচনা কৰিছে। খণ্ড কবিতাৰ ৰচক হিচাপে ভোলানাথ দাস পৰিচিত। তেওঁৰ *কবিতামালা* নামৰ খণ্ড কবিতাৰ পুথিখন দুটা খণ্ডত প্ৰকাশ পাইছিল। ১৮৮৩ খ্ৰীঃত দ্বিতীয় কবিতা পুথি *চিন্তাতৰঙ্গিনী* প্ৰকাশ পায়। এইখন পুথিও দুটা খণ্ডত প্ৰকাশ হয়। কাব্যখনত কবিৰ সুখ-দুখৰ অনুভূতি, স্বদেশপ্ৰীতি আদি প্ৰকাশিত হৈছে। তেওঁ *সুভদ্ৰাহৰণ কাব্য* আৰু *প্ৰসঙ্গমালা* (গদ্য পদ্য মিহলি) গ্ৰন্থও ৰচনা কৰিছিল বুলি জনা যায়। এই দুখন গ্ৰন্থ অপ্ৰকাশিত হৈ ৰ'ল।
- *কমলাকান্ত ভট্টাচাৰ্য্য* ঃ তেজপুৰৰ ন-দুৱাৰৰ দাৰোগা বাণেশ্বৰ ভট্টাচাৰ্য্যৰ পুত্ৰ কমলাকান্ত ভট্টাচাৰ্য্য। *অৰুনোদই*তে তেওঁ সাহিত্যিক জীৱন আৰম্ভ কৰিছিল। ইয়াৰ পিছত *আসাম নিউজ*, *আসাম বন্ধু*, *জোনাকী*, *বাঁহী*, *উষা* আৰু *আৰাহন* আদি কাকতত প্ৰবন্ধ প্ৰকাশ পাইছে। ভট্টাচাৰ্য্যয়ো সংস্কাৰমুক্ত আৰু স্বাধীনতাপ্ৰয়াসী মনোভাৱ প্ৰকাশ পাইছে। তেওঁৰ প্ৰকাশিত কবিতাপুথি হ'ল—*চিন্তানল* (আগছোৱা, ১৮৯০), *চিন্তানল* (শেষছোৱা, ১৮৯২), *চিন্তাতৰঙ্গ* (১৯৩৩)। গদ্য ৰচনা *কঃ পন্থা* আৰু *অষ্টবক্ৰৰ আত্মজীৱনী* নামৰ দুখন পুথিৰ ভিতৰত দ্বিতীয়খন মৰণোত্তৰভাৱে প্ৰকাশ পাইছে। ১৯৩৬ চনত ৮৫ বছৰ বয়সত গুৱাহাটীত মৃত্যুবৰণ কৰে।

এনেদৰে অৰুণোদয় যুগত আমেৰিকান মিছনেৰীসকলৰ লগতে খ্ৰীষ্টীয়ান আৰু অখ্ৰীষ্টীয়ান বা অসমীয়া লেখকে সাহিত্য চৰ্চাৰ যোগেদি অসমীয়া সাহিত্যলৈ বিশেষ অৱদান আগবঢ়াই থৈ গৈছে। এই সময়ছোৱাৰ আন আন কেইগৰাকীমান অসমীয়া সাহিত্যিক হ'ল লম্বোদৰ বৰা, বলদেৱ মহন্ত, বলিনাৰায়ণ বৰা, পদ্মাৱতী দেৱী ফুকননী আদি।

৩.৪ অসমীয়া ভাষা সাহিত্যলৈ *অৰুনোদই* তথা মিছনেৰীসকলৰ অৱদান

১৮৪৬ চনত মিছনেৰীসকলৰ পৃষ্ঠপোষকতাত *অৰুনোদই* নামৰ আলোচনী তথা সম্বাদ-পত্ৰ প্ৰকাশ পায়। *অৰুনোদই* তথা মিছনেৰীসকলৰ যোগেদিয়ে আধুনিক অসমীয়া সাহিত্যৰ ভেটি স্থাপন হয়। আনহাতে এই যুগৰ পৰাই অসমীয়া সাহিত্যই আলোচনীক সাৰথি কৰি চলিবলৈ ধৰে। *অৰুনোদই* কাকতক কেন্দ্ৰ কৰি গঢ় লৈ উঠা খ্ৰীষ্টীয়ান আৰু অখ্ৰীষ্টীয়ান লেখকসকলৰ প্ৰয়াসত অসমীয়া ভাষা-সাহিত্যৰ ভালেখিনি উন্নতি সাধন হয়। তলত অসমীয়া ভাষা সাহিত্যলৈ এই যুগটোৰ অৱদান সম্পৰ্কে চমুকৈ আলোচনা কৰা হ'ল।

- মিছনেৰীসকলে লুপ্তপ্ৰায় অসমীয়া ভাষা আৰু সাহিত্যক জীপ দি অকাল মৃত্যুৰ পৰা ৰক্ষা কৰিলে বুলি ক'লেও ভুল নহ'ব। তেওঁলোকে ইংৰাজ চৰকাৰৰ বিৰুদ্ধে যুঁজ দি অসমীয়া ভাষাক পঢ়াশালি আৰু আদালতত পুনৰ প্ৰতিষ্ঠা কৰাত সহায় কৰিলে। কলিকতাৰ সদৰ দেৱানী আদালতৰ জজ মোফাত মিলচ্ চাহাবৰ আগত স্মাৰক পত্ৰ দাখিল কৰোঁতে, ৰবিন্সন চাহাবৰ অসমীয়া ভাষা বিৰোধী অভিমতৰ তীব্ৰ প্ৰতিবাদ জনাইছিল। অসমীয়া ভাষাৰ স্বতন্ত্ৰতা প্ৰমাণ কৰাৰ লগতে অসমীয়া জনসাধাৰণৰ উন্নতি যে মাতৃভাষাৰ যোগেদি লাভ কৰা শিক্ষাৰ পৰাহে সম্ভৱ এই কথা প্ৰমাণসহ ব্যাখ্যা কৰাৰ ক্ষেত্ৰত মিছনেৰী ধৰ্ম প্ৰচাৰকসকলে যি অহোপুৰুষাৰ্থ কৰিলে তাৰ বাবে অসমীয়া ভাষা-ভাষী তেওঁলোকৰ ওচৰত ঋণী।
- ব্যাকৰণ, অভিধান আৰু পাঠ্যপুথি প্ৰস্তুত কৰি অসমীয়া সাহিত্যৰ ভেটি বান্ধিলে। অৱশ্যে এইবোৰ তেওঁলোকে নিজৰ সুবিধাৰ বাবেই প্ৰণয়ন কৰিছিল। কিন্তু উদ্দেশ্য যিয়েই নহওক, ইয়াৰ দ্বাৰা অসমীয়া ভাষাৰ যে প্ৰভূত উপকাৰ সাধিত হ'ল সেই বিষয়ে সন্দেহৰ কোনো থল নাই।
- এওঁলোকেই অসমীয়া ভাষাত প্ৰথমে আলোচনী-বাতৰি কাকত উলিয়াই অসমীয়া মানুহক পাশ্চাত্য জগতৰ জ্ঞানৰ সন্ধান দিছিল।
- মিছনেৰীসকলে পুৰণি জ্ঞান-বিজ্ঞান আৰু বুৰঞ্জীৰ পুথি সংগ্ৰহ কৰি প্ৰকাশ কৰিছিল। পুৰণি পুথি সংগ্ৰহ আৰু সংৰক্ষণৰ এয়ে প্ৰথম প্ৰচেষ্টা। মূল্যৱান তথা দুষ্প্ৰাপ্য বস্তু কেনেদৰে আৰু কিয় সংগ্ৰহ কৰি ৰাখিব লাগে সেই কথাও মিছনেৰীসকলেই অসমীয়া জাতিক শিকাই থৈ গ'ল। অন্যথা বহুতো প্ৰাচীন পুথি হয়তো কালৰ সোঁতত লুপ্ত হ'লহেঁতেন।
- মিছনেৰীসকলে অসমীয়া ভাষাৰ শব্দাৱলীত পোহৰ বিলালে। তেওঁলোকে ইংৰাজী শব্দৰ

ভাব লৈ বহুত নতুন শব্দ সৃষ্টি কৰিলে আৰু অসমীয়া ভাষাৰ যিবোৰ মিঠা মিঠা শুৱলা শব্দ ব্যৱহাৰৰ অভাৱত মামৰে ধৰিছিল, সেইবোৰ শব্দ আকৌ ব্যৱহাৰৰ উপযুক্ত কৰিলে।

- মিছনেৰীসকলে আমাৰ ভাষাক এটা সুৰ শিকাই থৈ গ'ল। সেই সুৰটি অসমীয়া ভাষাই আগতে নাজানিছিল। ভাৰতবৰ্ষৰ কোনো ভাষাই নাজানিছিল। ই পাশ্চাত্য সাহিত্যৰ নিজা সৃষ্টি আৰু মিছনেৰীসকলে সাত সাগৰ তেৰ নৈ পাৰ হৈ আহি ভাৰতবৰ্ষৰ ভাষাবোৰক শিকাই দিলেহি। বৰ্তমান যুগৰ ভাৰতবৰ্ষৰ আন আন সাহিত্যৰ দৰে অসমীয়া সাহিত্যৰো য'তে টোকৰ মৰা যায় ত'তেই এই বিলাতী সুৰটোৰ গুণগুণনি শুনিবলৈ পোৱা যায়। এই বিলাতী সুৰটিকে আমি আধুনিক ৰূপৰ বতাহ বুলি ক'ব পাৰোঁ। আন কথাত ক'বলৈ হ'লে মিছনেৰীসকলৰ লেখাৰ যোগেদিয়েই পাশ্চাত্য ভাৱধাৰাই অসমীয়া ভাষাত প্ৰৱেশ কৰে।
- মিছনেৰীসকল তথা *অৰুনোদই* কাকতেই গুণাভিৰাম বৰুৱা, হেমচন্দ্ৰ বৰুৱা, আনন্দৰাম ঢেকিয়াল ফুকন আদিৰ দৰে এদল লেখকৰ সৃষ্টি কৰিলে। মিছনেৰীসকলৰ অনুপ্ৰেৰণা তথা উদগনিতে এওঁলোকে সাহিত্যচৰ্চাত মনোনিবেশ কৰি অসমীয়া ভাষা-সাহিত্যৰ উন্নতিৰ বাবে যত্ন কৰিছিল।
- *অৰুনোদই* কাকতৰ যোগেদিয়ে অসমীয়া মানুহে বহল জগত এখনৰ সন্ধান পায়। দেশ-বিদেশৰ বতৰা, জ্ঞান-বিজ্ঞান, ইতিহাস, বিজ্ঞানৰ আৱিষ্কাৰ আদিৰ সম্ভেদ 'অৰুণোদয়'ৰ যোগেদিয়েই অসমীয়া মানুহে লাভ কৰে। *অৰুনোদই* কাকতত প্ৰকাশ পোৱা বিষয়বস্তুসমূহেই তাৰ প্ৰমাণ দাঙি ধৰে। সেই বাবে মহেশ্বৰ নেওগে মন্তব্য দিছে— 'ৰাজভগনৰ পৰা বাদুলিয়ে কলঠোক খোৱালৈকে' সকলো কথা *অৰুনোদই*ত প্ৰকাশ পাইছিল।
- মিছনেৰীসকলৰ যোগেদিয়ে অসমত ইংৰাজী শিক্ষাৰ সূচনা হয়। ফলত ইংৰাজী শিক্ষাৰে শিক্ষিত হোৱাৰ উপৰি অসমীয়া মানুহে আধুনিকতাৰ সোৱাদ পাবলৈ ধৰে। অৰুণোদয় যুগতে আধুনিক অসমীয়া সাহিত্য— উপন্যাস, কবিতা, নাটক আদিৰ শুভাৰম্ভ ঘটে। গুণাভিৰাম বৰুৱাৰ প্ৰথম আধুনিক অসমীয়া নাটক *ৰাম-নৱমী নাটক*, ব্ৰাউনৰ অনূদিত উপন্যাসধৰ্মী ৰচনা *যাত্ৰিকৰ যাত্ৰা* আৰু বিভিন্ন বিষয়ৰ কবিতা *অৰুনোদই* কাকততে প্ৰকাশ পাইছিল।

এনেদৰে আলোচনা কৰিলে দেখা যায় যে মিছনেৰী তথা *অৰুনোদই* কাকতে অসমীয়া ভাষা-সাহিত্য তথা সমাজ জীৱনলৈ এক অভূতপূৰ্ব অৱদান আগবঢ়াই থৈ গৈছে। মিছনেৰীসকলৰ প্ৰচেষ্টাৰ ফলস্বৰূপে জন্ম লাভ কৰা *অৰুনোদই* কাকতৰ যোগেদি কেৱল আধুনিক অসমীয়া ভাষা-সাহিত্যৰ প্ৰাণ প্ৰতিষ্ঠাই যে হ'ল এনে নহয়; ইয়াৰ উপৰি অসমীয়া মানুহৰ মনত জন্ম হ'ল গভীৰ আত্মপ্ৰত্যয়, জাতীয় চেতনা আৰু ঐতিহ্যপ্ৰীতি। এই তিনিওটাই দৰাচলতে আধুনিক অসমীয়া সাহিত্যৰ বিকাশত প্ৰভূত প্ৰেৰণা প্ৰদান কৰিছিল। গতিকে *অৰুনোদই* কাকত অথবা অৰুণোদয় যুগৰ অসমীয়া সাহিত্যৰ গুণগত মূল্য যিয়েই নহওক লাগিলে, অসমীয়া মানুহ আৰু অসমীয়া সাহিত্যক স্থবিৰতাৰ পৰা গতিশীলতালৈ, প্ৰাচীনৰ পৰা আধুনিকলৈ, পূৰ্বৰ সীমাবদ্ধতাৰ পৰা বিশালতৰ জগত এখনলৈ লৈ যোৱাত এই যুগৰ বৰঙণি অসমীয়া সমাজৰ বাবে চিৰস্মৰণীয়।



চিন্তা-চর্চা কৰক— ৩.১

অৰুনোদই কাকতত প্ৰকাশ পোৱা ঐতিহাসিক, ৰাজনৈতিক, সামাজিক, ভৌগোলিক, ধৰ্ম, বিজ্ঞান, ভাষা, সাহিত্য আদি বিভিন্ন দিশৰ আলোচনা আগবঢ়াবলৈ চেষ্টা কৰক। এই আলোচনা প্ৰস্তুত কৰোঁতে মহেশ্বৰ নেওগ সম্পাদিত *অৰুনোদই* গ্ৰন্থৰ সহায় লওক।



৩.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ১৮৩৬ চনত ইংৰাজ চৰকাৰে আদালত আৰু পঢ়াশালিত অসমীয়া ভাষাৰ সলনি বাংলা ভাষা প্ৰচলনৰ যি ভুল সিদ্ধান্ত লৈছিল, মিছনেৰীসকলৰ প্ৰচেষ্টাতেই অসমীয়া ভাষাই হৃত মৰ্যাদা পুনৰ ঘূৰাই পাইছিল।
- অৰুণোদয় যুগটো হৈছে মূলতঃ গদ্য সাহিত্যৰ যুগ। এই যুগতে আধুনিক গদ্যৰ ভেটি নিৰ্মাণ হয়। নাথান ব্ৰাউন, মাইলচ্ ব্ৰন্সন, নিধিৰাম ফাৰৱেল আদি খ্ৰীষ্টীয়ান লেখকৰ লগতে আনন্দৰাম ঢেকিয়াল ফুকন, হেমচন্দ্ৰ বৰুৱা আৰু গুণাভিৰাম বৰুৱাৰ প্ৰচেষ্টাত অসমীয়া গদ্যই এটা স্থিৰ ৰূপ পোৱাৰ লগতে পাশ্চাত্য ৰীতিত সাহিত্য ৰচিত হ'বলৈ ধৰে। *যাত্ৰিকৰ যাত্ৰাৰ* যোগেদি নাথান ব্ৰাউনে উপন্যাস সাহিত্যৰ সোৱাদ দিয়ে। তেনেদৰে গুণাভিৰাম বৰুৱাই *ৰাম নৱমী নাটক* আৰু হেমচন্দ্ৰ বৰুৱাই *কানীয়াৰ-কীৰ্তনৰ* যোগেদি পাশ্চাত্য ৰীতিত ৰচিত আধুনিক নাটকৰ সোৱাদ দিয়ে। এই যুগত আধুনিক কবিতা ৰচনাৰো প্ৰথম প্ৰয়াস চলে। কাব্যিক গুণত এই যুগৰ কবিতাখিনি পৈণত হৈ নুঠিল যদিও ইয়াৰ ঐতিহাসিক মূল্য একেবাৰে নোহোৱা নহয়।
- ইংৰাজী শিক্ষাৰ প্ৰচলন, আলোচনীৰ জন্ম, আধুনিক গদ্যৰ সৃষ্টি, ব্যাকৰণ আৰু অভিধান ৰচনা, অসমীয়া ভাষাৰ পুনৰ প্ৰতিষ্ঠা, হেমচন্দ্ৰ বৰুৱা, গুণাভিৰাম বৰুৱা, আনন্দৰাম ঢেকিয়াল ফুকন আদিৰে দৰে লেখকৰ সৃষ্টি — ইত্যাদি বিভিন্ন কাৰণৰ বাবে মিছনেৰীসকলৰ অৱদান অদূৰ ভবিষ্যতেও স্মৰণীয় হৈ ৰ'ব। তদুপৰি অৰুণোদয় যুগেই পৰৱৰ্তী অসমীয়া সাহিত্যত ৰোমাণ্টিক যুগ সৃষ্টিৰ বাট মুকলি কৰি দিয়ে।



৩.৬ অধিক জানিবলৈ

১) নেওগ, মহেশ্বৰ (সংকঃ আৰু সম্পাঃ) (১৯৮৩); *অৰুনোদই ১৮৪৬-১৮৫৪;* গুৱাহাটী ঃ অসম প্ৰকাশন পৰিষদ।

২) নেওগ, মহেশ্বৰ (২০০০); *অসমীয়া সাহিত্যৰ ৰূপৰেখা;* গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

৩) বৰ্মন, শিৱনাথ (সম্পাঃ) (১৯৯৭); *অসমীয়া সাহিত্যৰ বুৰঞ্জী, দ্বিতীয় খণ্ড;* গুৱাহাটী ঃ আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থা।

৪) ভট্টাচার্য, হৰিচন্দ্ৰ (১৯৭০); *অসমীয়া নাট্য সাহিত্যৰ জিলিঙনি*; গুৱাহাটী ঃ সেৱা কুটীৰ।

৫) ভৱালী, শৈলেন (১৯৭৮); *আধুনিক অসমীয়া সাহিত্য (দুটি তৰংগ)*; গুৱাহাটী ঃ নিউ বুক ষ্টল।

৬) শর্মা, সত্যেন্দ্ৰনাথ (১৯৯৭); *অসমীয়া উপন্যাসৰ ভূমিকা*; গুৱাহাটী ঃ সৌমাৰ প্ৰকাশ।

৭) শর্মা, সত্যেন্দ্ৰনাথ (২০০২); *অসমীয়া নাট্য সাহিত্য*; গুৱাহাটী ঃ সৌমাৰ প্ৰকাশ।

৮) শর্মা, সত্যেন্দ্ৰনাথ (২০০৬); *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত;* গুৱাহাটী ঃ সৌমাৰ প্ৰকাশ।

৯) শর্মা, হেমন্ত কুমাৰ (২০০৭); *অসমীয়া সাহিত্যত দৃষ্টিপাত;* গুৱাহাটী ঃ বীণা লাইব্ৰেৰী।

১০) শর্ম্মা দলৈ, শ্ৰীহৰিনাথ (২০০৪); *অসমীয়া গদ্য সাহিত্যৰ গতি পথ;* গুৱাহাটী ঃ পদ্মাপ্ৰিয়া লাইব্ৰেৰী।



৩.৭ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ (ক) *গণনাৰ পুথি* (খ) ১৪,০০০ শব্দ (গ) এ. কে. গার্নি

২ নং প্ৰশ্নৰ উত্তৰ ঃ *যাত্ৰিকৰ যাত্ৰা*। এই পুথিখনি ৰচনা কৰিছিল জন বনিয়ানে *Pilgrim's Progress* নামেৰে।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ গুণাভিৰাম বৰুৱাই *ৰাম-নৱমী নাটক* আৰু হেমচন্দ্ৰ বৰুৱাই *কানীয়াৰ-কীর্তন* নামৰ নাটক দুখন ৰচনা কৰে।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ আনন্দৰাম ঢেকিয়াল ফুকনে ৰচনা কৰা 'ইংলণ্ডৰ বিৱৰণ' ১৮৪৭ চনত *অৰুনোদইত* প্ৰকাশ পায়। প্ৰায় চাৰিশ পৃষ্ঠজোৰা *অসমীয়া ল'ৰাৰ মিত্ৰ* প্ৰকাশ হয় ১৮৪৯ চনত। ১৮৫৩ চনত অসমৰ অৱস্থা সম্পর্কে অনুসন্ধান কৰিবলৈ অহা মোফাত

মিলচ্ (Moffat Mills) চাহাবৰ আগত ফুকনে অসমৰ অর্থনৈতিক অৱস্থা সম্পর্কে স্মাৰক-পত্র প্রদান কৰে। ১৮৫৫ চনত তেখেতৰ ইংৰাজীতে লিখা *A Few Ramarks on Assamese Language and on Vernacular Education in Assam* নামৰ পুস্তিকা প্রকাশ পায়।



৩.৮ আৰ্হি প্রশ্ন

ক) বস্তুধর্মী প্রশ্ন (৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ অসমীয়া সাহিত্যৰ বুৰঞ্জীৰ কোনখিনি সময়ক 'অৰুণোদয় যুগ' বুলি কোৱা হয়?

প্রশ্ন ২ ঃ অসমীয়া ভাষাৰ প্রথম ব্যাকৰণখন কোনে ৰচনা কৰে?

প্রশ্ন ৩ ঃ শুদ্ধ উত্তৰটো বাছি উলিয়াওক

(ক) *ৰাম-নৱমী নাটক* নামৰ নাটখনি ৰচনা কৰে—

হেমচন্দ্র বৰুৱাই/গুণাভিৰাম বৰুৱাই/আনন্দৰাম ঢেকিয়াল ফুকনে

(খ) হেমচন্দ্র বৰুৱাই ৰচনা কৰা নাটখনিৰ নাম—

বাহিৰে ৰং-চং ভিতৰে কোৱাভাতুৰী/ৰাম-নৱমী নাটক/কানীয়াৰ-কীর্তন

খ) চুটি প্রশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ চমুটোকা লিখক —

(ক) নাথান ব্রাউন (খ) *অসমীয়া ল'ৰাৰ মিত্র* (গ) *ৰাম-নৱমী নাটক*

(ঘ) মাইলচ্ ব্রন্সন (ঙ) নিধিৰাম ফাৰৱেল (চ) *কানীয়াৰ-কীর্তন।*

গ) ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ 'অৰুণোদয়' যুগৰ লেখকসকল আৰু তেওঁলোকৰ ৰচনাসমূহৰ বিষয়ে বিশদ বর্ণনা দিয়ক।

প্রশ্ন ২ ঃ অসমীয়া সাহিত্যলৈ মিছনেৰীসকলৰ অৱদান সম্পর্কে এটি নাতিদীর্ঘ প্রবন্ধ লিখক।

প্রশ্ন ৩ ঃ আনন্দৰাম ঢেকিয়াল ফুকন আৰু গুণাভিৰাম বৰুৱাৰ সাহিত্য-কৃতিৰ বিষয়ে আলোচনা আগবঢ়াওক।

*** ***** ***